**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ভাৰতৰ উপকূলীয় ৰাজ্য আৰু বন্দৰ-চহৰসমূহ বিকশিত ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত মূল কেন্দ্ৰ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাত ৱিঝিঞ্জাম আন্তঃৰাষ্ট্ৰীয় বহুমুখী বন্দৰটো ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰি এইদৰে কয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়াত উপস্থিত হৈ ৰাজ্যখনৰ ৰাজধানী অমৰাৱতীৰ ৰাজধানীৰ পুনৰ নিৰ্মাণ কাৰ্য্যৰ আধাৰশিলা স্থাপন কৰে।

৩। অসমৰ ১৪ খন জিলাত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ ভোট গ্ৰহণ সম্পন্ন হয়।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব।

ooooo

ভাৰতৰ উপকূলীয় ৰাজ্য আৰু বন্দৰ-চহৰসমূহ বিকশিত ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত মূল কেন্দ্ৰ হ'ব। ভাৰতৰ সামুদ্ৰিক যাত্ৰাৰ মাইলৰ খুঁটি হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱিঝিঞ্জামত গভীৰ সমুদ্ৰত জাহাজ চলাচলৰ বাবে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় বহুমুখী বন্দৰটো ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰি এই মন্তব্য কৰে। ৱিঝিঞ্জাম আন্তঃৰাষ্ট্ৰীয় বন্দৰটো নতুন যুগৰ উন্নয়নৰ প্ৰতীক হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বাণিজ্যিক সম্প্ৰসাৰণ, আন্তঃগাঁথনি উন্নয়ন সাধাৰণ জনতাৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ হ'লেহে সঁচা অৰ্থত দেশৰ উন্নয়ন সম্ভৱ হয়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে, এই বন্দৰটোক দেশৰ সামুদ্ৰিক পথৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। ইয়াৰ জৰিয়তে দেশৰ অৰ্থনৈতিক স্থিৰতাৰ প্ৰতি উল্লেখনীয় বৰঙণি আগবঢ়োৱাৰ লগতে কেৰালা তথা সমগ্ৰ দেশৰ উপকাৰ সাধন হ'ব বুলি মত প্ৰকাশ কৰি এই বন্দৰটোক তেওঁ নতুন যুগৰ উন্নয়নৰ উল্লেখনীয় আৰ্হি হিচাপে অভিহিত কৰে। বন্দৰটোৰ পৰিচালন ভৱন পৰিদৰ্শন কৰি নিয়ন্ত্ৰণ ব্যৱস্থাৰ বুজ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৱিঝিঞ্জাম বন্দৰৰ জৰিয়তে জাহাজ পৰিবহণৰ সামৰ্থ্য পৰৱৰ্তী সময়ত তিনিগুণ বৃদ্ধি পাব বুলিও উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ দি কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ি ৱিজয়নে কয়, যে ৱিঝিঞ্জাম বন্দৰে তৃতীয় সহস্ৰাব্দৰ উন্নয়নৰ সম্ভাৱনাৰ এখন দুৱাৰ মুকলি কৰিলে। আজিৰ এই অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ গোপী, জৰ্জ কুৰিয়েনৰ লগতে ৰাজ্যখনৰ বহু কেইগৰাকী মন্ত্ৰী, সাংসদ আৰু বিধায়কেও অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে ৱিঝিঞ্জাম বন্দৰটো ৰাজহুৱা-ব্যক্তিগতখণ্ডৰ সহযোগিতাৰে ৮ হেজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। আৰ্থিক শক্তিৰ এই কাৰ্য্য-কলাপ আৰু অধিক শক্তিশালী কৰাৰ বাবে কেন্দ্ৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। ভাৰতৰ সামুদ্ৰিক উদ্যোগক উন্নীত কৰাৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই সহযোগিতাই ভাৰতৰ বন্দৰসমূহক বিশ্বৰ মানদণ্ডলৈ উন্নীত কৰিছে। দেশৰ প্ৰথমটো অৰ্ধ-স্বয়ংক্ৰিয় বন্দৰ ৱিঝিঞ্জাম হৈছে এনে এটা প্ৰকল্প, যিয়ে বিশ্বৰ বাণিজ্যৰ ক্ষেত্ৰত ভাৰতৰ স্থান শক্তিশালী কৰাত অৰিহণা যোগাব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়াত উপস্থিত হৈ ৰাজ্যখনৰ ৰাজধানী অমৰাৱতীৰ পুনৰ নিৰ্মাণ কাৰ্য্যৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ বাবে ৫৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও পথ আৰু ৰে'ল প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। উদ্বোধনী অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পসমূহে অন্ধ্ৰ প্ৰদেশৰ আকাংক্ষা আৰু বিকশিত ভাৰতৰ ভেঁটি শক্তিশালী কৰাত সহায় কৰিব। বিগত ১০ বছৰত ডিজিটেল, সামাজিক আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত দেশে গুৰুত্ব প্ৰদান কৰি আহিছে। ভাৰতৰ আন্তঃগাঁথনি দ্ৰুত গতিত বিকশিত হোৱাৰ লগতে অন্ধ্ৰ প্ৰদেশেও এই উন্নয়নৰ পৰা লাভান্বিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে কৃষক সংস্থাসমূহৰ সৈতে অহা ৪ মে'ত হ'বলগীয়া প্ৰস্তাৱিত বৈঠকখন স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰতিনিধিৰ অংশগ্ৰহণ অবিহনে এই বৈঠকখন ফলপ্ৰসূ নহ'ব বুলি মত পোষণ কৰি চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ যুটীয়া সচিব পূৰ্ণ চন্দ্ৰ কিষাণে কৃষক সংস্থাসমূহলৈ লিখা এখন চিঠিত কয়, যে অৰাজনৈতিক সংযুক্ত কিষাণ মৰ্চা আৰু কিষাণ মজদুৰ মৰ্চাই দাবী কৰাৰ দৰে প্ৰস্তাৱিত বৈঠকত পাঞ্জাৱ চৰকাৰক অন্তৰ্ভুক্ত নকৰাটো সমীচিন নহ'ব। এনে প্ৰেক্ষাপটত চৰকাৰে কৃষক সংগঠন দুটাক তেওঁলোকৰ দাবী পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে। যুটীয়া সচিবগৰাকীয়ে লগতে জানিবলৈ দিয়া মতে এই সংগঠন দুটাৰ পৰা সহাৰি লাভ কৰাৰ পাছত প্ৰস্তাৱিত বৈঠকখনৰ বাবে পৰৱৰ্তী দিন এটা নিৰ্ধাৰণ কৰা হ'ব।

ooooo

অহা চাৰি বছৰত যাতে কোনো গাঁও বা কৃষি ভূমিয়ে পানীৰ পৰা বঞ্চিত হ'বলগীয়া নহয় আৰু ভাৰতক খৰাংমুক্ত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অহল্যা নগৰ জিলাৰ ৰহতাৰ আস্তা গাঁৱত অনুষ্ঠিত মহাৰাষ্ট্ৰ জলসিঞ্চন উন্নয়ন কাৰ্য্যসূচীৰ প্ৰথম পৰ্য্যায়ৰ গোদাবৰীৰ উত্তৰ পাৰৰ খালৰ মাটিৰ কাম, নিৰ্মাণ আৰু ভূমি পূজন অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে এইদৰে কয়। সমগ্ৰ দেশতে ইতিমধ্যে ১৩ লাখৰো অধিক এনে আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে যথেষ্ট পৰিমাণৰ পানীৰ সংৰক্ষণ সম্ভৱ হৈছে।

০০০০০

অসমত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হয়। প্ৰথম পৰ্য্যায়ৰ ভোটগ্ৰহণত উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলা সামৰি লোৱা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি চাৰে তিনি বজা পৰ্যন্ত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

ৰাজ্যখনৰ তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত  ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

০০০০০

এতিয়া শুনক ৱেভছ্‌ সন্মিলনৰ বাতৰি - ***(মনতাজ)***

বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্‌-২০২৫ত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠকত আজি ৱেভছ্‌ ঘোষণা পত্ৰ গ্ৰহণ কৰা হয়। তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেচন কেন্দ্ৰত অনুষ্ঠিত এই বৈঠকত সদস্য ৰাষ্ট্ৰসমূহে পৰম্পৰা আৰু ঐতিহ্যৰ বাবে সহযোগিতা আগবঢ়াবলৈ সন্মত হয়। এই বৈঠকত ৭৭ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্‌ জয়শংকৰৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈঠকত অধ্যক্ষতা কৰে। প্ৰতিনিধি দেশসমূহে ভুল তথ্যৰ প্ৰসাৰ আৰু প্ৰচাৰ ৰোধ কৰাৰ লগতে সংবাদ মাধ্যমৰ সততা, তথ্যভিত্তিক সাংবাদিকতা আৰু দায়িত্বশীল বিজ্ঞাপনৰ প্ৰসাৰত সন্মতি প্ৰকাশ কৰে। উদ্যোগী তথা জন হিতৈষী মহিলা নীতা আম্বানীয়ে আজি ৱেভছ্‌ সন্মিলনত অংশগ্ৰহণ কৰি কয়, যে ভাৰত এখন মানৱ দৰদী দেশ। ভাৰতে নিজৰ দৰ্শন, জ্ঞান আৰু শিক্ষাৰ জৰিয়তে বিশ্বক প্ৰজ্ঞা প্ৰদান কৰি আহিছে। ভাষাৰ পৰা সাহিত্যলৈকে, সংগীতৰ পৰা চিকিৎসা বিজ্ঞানলৈকে ভাৰতে সমগ্ৰ বিশ্বত অৱদান আগবঢ়াইছে বুলি তেওঁ উল্লেখ কৰে। অভিনেতা আমিৰ খানে আজি এই সন্মিলনত উপস্থিত থাকি কয়, যে ভাৰতত জনসাধাৰণৰ বিপৰীতে চলচ্চিত্ৰ গৃহৰ সংখ্যা কম। তেওঁ কয়, যে ভাৰতত কৈ আমেৰিকা যুক্তৰাষ্ট্ৰত জনসংখ্যা কম যদিও চলচ্চিত্ৰ গৃহৰ সংখ্যা যথেষ্ট বেছি। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কাইলৈ ৱেভছ্‌ সন্মিলনত সংবাদ মাধ্যম আৰু মনোৰঞ্জন খণ্ডৰ পৰিসংখ্যা হাতপুথি-২০২৪-২৫ মুকলি কৰিব। হাতপুথিখনত সংবাদ মাধ্যম আৰু মনোৰঞ্জন খণ্ডৰ সময়োপযোগী, নিৰ্ভৰযোগ্য, প্ৰামাণিক আৰু বিস্তৃত তথ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে দেশৰ বিকাশৰ বাবে সংবাদ মাধ্যম আৰু মনোৰঞ্জন খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

উল্লেখযোগ্য যে, মুম্বাইৰ জিঅ' বিশ্ব অভিৱৰ্তন কেন্দ্ৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্‌-২০২৫ উদ্বোধন কৰিছিল।

(মনতাজ)

ooooo

জম্মু-কাশ্মীৰৰ পেহেলগামত চলিত বছৰৰ ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত আজি বাংলাদেশৰ ভাৰতীয় উচ্চায়ুক্তই এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰে। উচ্চায়ুক্ত প্ৰণয় বাৰ্মাৰ সৈতে বাংলাদেশত থকা নেপালৰ ৰাষ্ট্ৰদূত ঘনশ্যাম ভাণ্ডাৰীয়ে আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰৱাসী ভাৰতীয় আৰু বাংলাদেশত থকা ভাৰতৰ শুভাকাংক্ষীসকলেও এই অনুষ্ঠানত ভাগ লৈ সমবেদনা জ্ঞাপন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ ছানৰাইৰাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ছানৰাইৰাৰ্ছ হায়দৰাবাদে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

সমাপ্ত